**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-02-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। কোকৰাঝাৰত প্ৰথম দিনৰ কাৰ্যসূচী ৰূপায়ণেৰে অসম বিধান সভাৰ বাজেট অধিৱেশন আৰম্ভ। কাইলৈ দিশপুৰত অধিৱেশনৰ দ্বিতীয় দিনৰ কাৰ্যসূচী।

২। যোগীঘোপাত আজি কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ আভ্যন্তৰীণ জল পৰিবহণ টাৰ্মিনেল উদ্বোধন।

৩। জ্ঞানেশ কুমাৰক দেশৰ পৰৱৰ্তী মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি।

৪। ভাৰত-বাংলাদেশৰ সীমা সমস্যাৰ আলোচনাৰ বাবে আজি নতুন দিল্লীত দুয়োখন দেশৰ সীমান্ত সুৰক্ষা বাহিনীৰ সঞ্চালক প্ৰধান পৰ্যায়ৰ বৈঠক। *আৰু*

৫। মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট জায়েণ্টছ্ মুম্বাই ইণ্ডিয়ানছৰ মুখামুখি।

oooooo

বিত্তমন্ত্ৰী অজন্তা নেওগে বিধানসভাত ১০ মাৰ্চত ৰাজ্যিক বাজেট দাখিল কৰিব। এইখন হ'ব ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ ৰাজ্য চৰকাৰৰ কাৰ্যকালৰ শেষৰখন পূৰ্ণাংগ বাজেট। কোকৰাঝাৰত অসম বিধানসভাৰ বাজেট অধিৱেশনৰ কালি প্ৰথম দিনাৰ কাৰ্যক্ৰমণিকা অনুষ্ঠিত হোৱাৰ পাছত কালিৰে পৰা দিছপুৰৰ বিধানসভা ভৱনত অধিৱেশনৰ পৰৱৰ্তী কাৰ্যক্ৰমণিকা অনুষ্ঠিত হ'ব। বিৰোধী দলসমূহে সদনত মূল্যবৃদ্ধি, আইন-শৃংখলা পৰিস্থিতি, দুৰ্বল আন্তঃগাঁথনি আৰু অসামৰিক যোগানকে ধৰি বিভিন্ন বিষয়ত চৰকাৰক আক্ৰমণৰ বাবে ৰণনীতি তৈয়াৰ কৰিছে। অসম বিধানসভা সচিবালয়ে প্ৰকাশ কৰা দিনপঞ্জী অনুসৰি এইবাৰৰ বাজেট অধিৱেশনত মুঠ ১৪ দিন কাম-কাজ চলিব।

কোকৰাঝাৰৰ বিটিচিৰ বিধায়িনী ভৱনত কালি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে অসম বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী আৰম্ভ হয়।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি বিধানসভাত অসম লোকসেৱা আয়োগৰ ২০১৩ আৰু ২০১৪ চনৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ অনিয়ম সন্দৰ্ভত তদন্তৰ বাবে গঠন কৰা ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদন দাখিল কৰে। প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ বাহিৰত আয়োজন কৰা অসম বিধানসভাৰ এই অধিৱেশনে বড়ো জনগোষ্ঠী আৰু বিটিআৰ এলেকাত বসবাস কৰা জনসাধাৰণৰ প্ৰতি থকা ৰাজ্য চৰকাৰৰ দায়বদ্ধতাকে সূচাইছে বুলি মুখ্যমন্ত্ৰী শৰ্মাই মত ব্যক্ত কৰে।

oooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বঙাইগাঁও জিলাৰ যোগীঘোপাত আভ্যন্তৰীণ জল পৰিবহণ টাৰ্মিনেল উদ্বোধন কৰিব। এই অনুষ্ঠানত ভূটানৰ উদ্যোগ, বাণিজ্য আৰু নিয়োগ মন্ত্ৰী নামগিয়াল দৰ্জী, ৰাজ্যৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, বিমল বৰা আৰু যোগেন মহনৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা। কেন্দ্ৰীয় চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহণ প্ৰাধিকৰণৰ

উদ্যোগত যোগীঘোপাৰ নৰনাৰায়ণ সেঁতুৰ কাষত ব্ৰহ্মপুত্ৰ নৈ পাৰত ১৫ একৰ ভূমি সামৰি এই টাৰ্মিনেলটো নিৰ্মাণ কৰা হৈছে। ৮২ কোটি টকা ব্যয় সাপেক্ষ টাৰ্মিনেলটোৰ প্ৰথম পৰ্যায়ৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে। টাৰ্মিনেলটো মুকলি হোৱাৰ পাছত যোগীঘোপা আৰু বাংলাদেশৰ মাজত জাহাজ চলাচল কৰা হ'ব। এই টাৰ্মিনেলৰ যোগেদি ভাৰত, চুবুৰীয়া ৰাষ্ট্ৰ ভূটান আৰু বাংলাদেশৰ মাজত বিভিন্ন সামগ্ৰীৰ আমদানি-ৰপ্তানী সম্ভৱ হৈ উঠিব। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম আৰু একমাত্ৰ জাহাজ বন্দৰটোক আজি মুকলি হোৱাৰ লগতে যোগীঘোপাৰ অশোক কাগজ কলৰ ভূমিত নিৰ্মীয়মান ল'জিষ্টিক উদ্যানৰ কাম সম্পূৰ্ণ হৈ উঠিলে যোগীঘোপা বাণিজ্যিক প্ৰাণকেন্দ্ৰ হিচাপে পৰিগণিত বুলি আশা কৰা হৈছে। ইয়াৰ ফলত স্থানীয় যুৱক-যুৱতীৰ বাবে সংস্থাপনৰ পথ মুকলি হ'ব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে ভূটানৰ গেলেফুৰ পৰা ৯১ কিলোমিটাৰ, বাংলাদেশ সীমান্তৰ পৰা ১০৮ কিলোমিটাৰ আৰু গুৱাহাটীৰ পৰা ১৪৭ কিলোমিটাৰ দূৰত্বত অৱস্থিত এই টাৰ্মিনেল কৌশলগত দিশৰ পৰা গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে।

০০০০০০

নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক দেশৰ নতুন মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে। মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে ৰাজীৱ কুমাৰৰ কাৰ্যকালৰ আজি অন্ত পৰিব। ১৯৮৮ চনৰ কেৰালা কেডাৰৰ প্ৰাক্তন ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া জ্ঞানেশ কুমাৰে সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব পদতো কাৰ্যনিৰ্বাহ কৰিছিল।

জ্ঞানেশ কুমাৰক মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি দিয়াৰ পাছত ১৯৮৯ চনৰ হাৰিয়ানা কেডাৰৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া ড০ বিৱেক যোশীক নতুন নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দুয়োগৰাকী আয়ুক্তক নিযুক্তি দিয়ে।

০০০০০০

অসম আৰক্ষীয়ে ভাৰত বিৰোধী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত পাকিস্তানৰ আলী তাকিৰ শ্বেখ নামৰ ব্যক্তিজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি এই সংক্ৰান্তত তদন্তৰ বাবে অপৰাধ অনুসন্ধান শাখাৰ সঞ্চালকপ্ৰধান মুন্না প্ৰসাদ গুপ্তাৰ নেতৃত্বত বিশেষ তদন্তকাৰী গোট গঠন কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে। এই তদন্তকাৰী গোটটোত আৰক্ষীৰ প্ৰশাসনীয় শাখাৰ সহকাৰী আৰক্ষী মহাপৰিদৰ্শক প্ৰণৱজ্যোতি গোস্বামী, মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ অধীক্ষক ৰ'জী কলিতা আৰু গুৱাহাটীৰ মহানগৰ পশ্চিম আৰক্ষীৰ অতিৰিক্ত আয়ুক্ত মৈত্ৰেয়ী ডেকাক অন্তৰ্ভুক্ত কৰা হৈছে। আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ অনুমতি সাপেক্ষে দলটোত পৰিদৰ্শক, উপ-পৰিদৰ্শক, কনিষ্টবলকে ধৰি অন্যান্যসকলক অন্তৰ্ভুক্ত কৰিব পাৰিব বুলি কোৱা হৈছে। বিশেষ তদন্তকাৰী দলটোৱে আৰক্ষী সঞ্চালকপ্ৰধানক নিয়মীয়াকৈ তদন্তৰ অগ্ৰগতি সম্পৰ্কে তথ্য দিব লাগিব বুলিও অসম আৰক্ষীয়ে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে আৰক্ষীয়ে কালি ভাৰতীয় ন্যায় সংহিতাৰ নিৰ্দিষ্ট ধাৰা অনুসৰি পাকিস্তানী নাগৰিকজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। দেওবাৰে ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকে বিষয়টো তদন্তৰ বাবে অনুমোদন জনাই আৰক্ষী সঞ্চালক প্ৰধানক জনোৱা আহ্বান মৰ্মে কালি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাই আলী তাকিৰ শ্বেখ আৰু তেওঁৰ সহযোগীসকলৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে বুলি আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে প্ৰকাশ কৰে।

সঞ্চালক প্ৰধানগৰাকীয়ে কয়, যে এই ঘটনাৰ সকলো দিশ চালি-জাৰি চোৱাৰ লগতে ৰাজ্যৰ উপৰি দেশৰ সুৰক্ষাৰ ক্ষেত্ৰত নেতিবাচক প্ৰভাৱ পেলাব পৰা কোনো কাৰ্য সংঘটিত হৈছে নেকি সেই কথা নিশ্চিত

কৰিবলৈ আৰক্ষীয়ে তদন্ত কৰিব। ভাৰতৰ অখণ্ডতাৰ প্ৰতি ভাবুকি সৃষ্টি কৰিব পৰা যিকোনো শক্তি প্ৰতিৰোধ কৰিবলৈ আৰক্ষীয়ে নিৰন্তৰ চেষ্টা অব্যাহত ৰাখিব বুলি শ্ৰীসিঙে উল্লেখ কৰে।

০০০০০০

ভাৰত-বাংলাদেশৰ সীমা সমস্যা সন্দৰ্ভত আলোচনাৰ বাবে দুয়ো দেশৰ সীমান্ত সুৰক্ষা বাহিনীৰ সঞ্চালকপ্ৰধান পৰ্যায়ৰ ৫৫ সংখ্যক বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব। প্ৰতিবেশী ৰাষ্ট্ৰখনৰ সীমান্ত সুৰক্ষা বাহিনী ব'ৰ্ডাৰ গাৰ্ড বাংলাদেশৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দল দ্বিপাক্ষিক আলোচনাৰ বাবে কালি নতুন দিল্লীত উপস্থিত হয়। আজি নতুন দিল্লীৰ লোধী ৰোডৰ সীমান্ত সুৰক্ষা বাহিনীৰ মুখ্য কাৰ্যালয়ত আয়োজিত এই দ্বিপাক্ষিক বৈঠকত সীমান্ত অঞ্চলত বেৰৰ ব্যৱস্থা, সীমান্ত সুৰক্ষা বাহিনীৰ জোৱান আৰু ভাৰতীয় নাগৰিকৰ ওপৰত বাংলাদেশী দুৰ্বৃত্তৰ আক্ৰমণকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ে স্থান লাভ কৰাৰ সম্ভাৱনা আছে। সীমান্ত সুৰক্ষা বাহিনীৰ সঞ্চালকপ্ৰধান দলজিৎ সিং চৌধাৰীয়ে ভাৰতীয় দলটোক নেতৃত্ব দিয়াৰ বিপৰীতে বাংলাদেশৰ দলটোক মেজৰ জেনেৰেল মহম্মদ আশ্ৰাফুজ জামান সিদ্দিকিয়ে নেতৃত্ব দিব।

০০০০০০

বি টি আৰৰ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সৰলপাৰা আৰু ভাৰত-ভূটান সীমান্ত সংযোগী পথৰ নিৰ্মাণৰ অগ্ৰগতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে এই উপলক্ষে আয়োজিত এখন সভাত অংশগ্ৰহণ কৰে। সভাত ভাষণ দি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে লোকসভা নিৰ্বাচনৰ সময়ত তেওঁলোকে দিয়া প্ৰতিশ্ৰুতি পূৰণৰ অংশ হিচাপে সৰলপাৰা পথটো প্ৰায় ২৭ কোটি টকা ব্যয় সাপেক্ষে পুনৰ নিৰ্মাণ কৰিব। পথটো নিৰ্মাণৰ ক্ষেত্ৰত অতিৰিক্ত পুজিৰ প্ৰয়োজন হ'লে সেয়া ৰাজ্য চৰকাৰে যোগান ধৰিব বুলিও তেওঁ সভাত উল্লেখ কৰে। বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্যৰ লগত ইতিমধ্যে প্ৰস্তুত কৰা প্ৰাককলন সন্দৰ্ভত আলোচনা কৰি পথটো কিদৰে সুন্দৰকৈ নিৰ্মাণ কৰিব পৰা যায়, সেই বিষয়টো আলোচনা কৰা হ'ব বুলিও তেওঁ প্ৰকাশ কৰিছে। পথটো সম্পূৰ্ণ হৈ উঠিলে সৰলপাৰা, উল্টাপানী, বিছমুৰি আদি অঞ্চলৰ ৰাইজ যাতায়তৰ ক্ষেত্ৰত যথেষ্ট উপকৃত হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি পথটোৱে সেই অঞ্চলৰ পৰ্যটনৰ ক্ষেত্ৰত সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব বুলিও ড০ শৰ্মাই আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীয়ে কালি কোকৰাঝাৰত বাজেট অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পূৰ্বে এটা ইস্কন মন্দিৰো মুকলি কৰে।

০০০০০০

কেন্দ্ৰীয় মহিলা আৰু শিশু কল্যাণ মন্ত্ৰী অন্নপূৰ্ণ দেৱী যাদৱে কালি ডিব্ৰুগড়ত জিলাখনৰ মহিলা আৰু শিশুসকলৰ কল্যাণৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেউ আৰু শিৱসাগৰৰ বিভাগীয় বিষয়াসকলৰ সৈতে ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠকত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে দ্বিতীয় পৰ্যায়ৰ পোষণ অভিযানৰ অধীনত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ আৰু জিলাখনৰ আটাইবোৰ সক্ষম অংগনৱাড়ী কেন্দ্ৰৰ কাম-কাজৰ বিতংভাৱে পৰ্যালোচনা কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। শ্ৰীমতী যাদৱে জিলাকেইখনত মহিলা আৰু শিশুসকলৰ কল্যাণৰ বাবে কেনেধৰণৰ পদক্ষেপ লোৱা হৈছে সেই বিষয়ে তথ্য বিচাৰে। তদুপৰি মিছন শক্তি আৰু মিছন বাৎসল্যৰ অধীনত মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ আঁচনিসমূহৰ জৰিয়তে কেনেধৰণৰ কাম-কাজ সম্পন্ন হৈছে সেই বিষয়েও মন্ত্ৰীগৰাকীয়ে জানিবলৈ বিচাৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জিলাকেইখনত বাল্য বিবাহ ৰোধ কৰাৰ বাবে সজাগতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০০

অসম আৰু অসমীয়াৰ অস্তিত্ব ধৰি ৰাখিবলৈ অসম সাহিত্য সভাৰ বহু কাম কৰিবলগীয়া আছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড়ত তেওঁৰ বাসভৱনত অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ সৈতে হোৱা বিশেষ আলোচনাত এই অভিমত প্ৰকাশ কৰে। অসম সাহিত্য সভাৰ পূৰ্বৰ গৌৰৱ ঘূৰাই অনাত গুৰুত্ব দি মন্ত্ৰীগৰাকীয়ে কয়, যে অসমীয়া মানুহক কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লগতে তৰুণ প্ৰজন্মক সাহিত্য সভাৰ প্ৰতি উৎসাহী কৰি তুলিব লাগিব। তেওঁ ধ্ৰুপদী ভাষাৰ মৰ্যাদাৰে স্বীকৃত অসমীয়া ভাষাক বিশ্বৰ প্ৰেক্ষাপটত জিলিকাই তোলাৰ বাবে অসম সাহিত্য সভাৰ জড়িয়তে সবল ভূমিকা ল'বলৈ ড০ গোস্বামীক আহ্বান জনায়। অসম সাহিত্য সভাৰ উত্তৰ-পূব ভাৰতৰ ঐতিহ্য, সাংস্কৃতিক প্ৰকল্প তথা সংগ্ৰহালয় কৃষ্ণকান্ত সন্দিকৈ ভৱনত নিৰ্মাণৰ প্ৰস্তাৱ লৈ সাহিত্য সভাৰ সভাপতিগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সাক্ষাৎ কৰিছিল। এই প্ৰকল্পৰ জৰিয়তে সভাই উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিটো জাতি-জনগোষ্ঠী, নৃগোষ্ঠীয়সকলৰ ঐতিহ্যৰ সংৰক্ষণ আৰু সম্বৰ্ধন কৰাৰ বাবে ব্যৱস্থা ল'ব। ড০ গোস্বামীয়ে ১১ কোটি টকাৰ এই প্ৰকল্পৰ প্ৰাক্-কলন মন্ত্ৰীগৰাকীক অৰ্পণ কৰে। কেন্দ্ৰীয় বিশ্ববিদ্যালয়সমূহত ৰাজ্যৰ তিনিগৰাকী সাহিত্যৰ কাণ্ডাৰীৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ বাবেও তেওঁ মন্ত্ৰী সোণোৱালক অনুৰোধ জনায়।

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ নেচনেল কাউন্সিল অব টিছাৰ্চ এডুকেচনে অসমৰ পাঁচখন মহাবিদ্যালয়ক দ্বৈত ডিগ্ৰীৰ স্বীকৃতি প্ৰদান কৰিছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ অনুসৰি এন চি টি ইৰ অধীনত শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়, টিয়কৰ চি কে বি মহাবিদ্যালয়, ডিগবৈ মহাবিদ্যালয় আৰু লখিমপুৰ ছোৱালী মহাবিদ্যালয়ক এই স্বীকৃতি প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে অসমৰ প্ৰায় ৩৫০ খন মহাবিদ্যালয়ৰ ভিতৰত ১৩ খন শিক্ষানুষ্ঠানে এই পৰ্যন্ত দ্বৈত ডিগ্ৰীৰ স্বীকৃতি লাভ কৰিছে। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে নতুনকৈ দ্বৈত ডিগ্ৰীৰ স্বীকৃতি লাভ কৰা মহাবিদ্যালয়কেইখনক অভিনন্দন জনাইছে।

০০০০০০

কোকৰাঝাৰত অসম বিধানসভাৰ অধিৱেশন, এপিএছচি কেলেংকাৰিৰ তদন্ত প্ৰতিবেদন, প্ৰয়াগৰাজত চলি থকা কুম্ভমেলা আদি ভিন্ন বিষয়ৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত গুৰুত্ব পাইছে।

উচ্চ ন্যায়ালয়ৰ হস্তক্ষেপত বিধানসভাত দাখিল কৰা হয় এপিএছচি কেলেংকাৰিৰ তদন্ত প্ৰতিবেদন। অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বৰ তদন্ত আয়োগৰ এই প্ৰতিবেদনত ধনৰ বিনিময়ত চাকৰি দিয়াৰ তথ্য পোহৰলৈ আহিছে। এই বাতৰিক অসমীয়া প্ৰতিদিনত **২০২৩ৰ সমগ্ৰ নিযুক্তি বাতিলৰ পৰামৰ্শ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰা হৈছে।

দিছপুৰৰ বাহিৰত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হয় অসম বিধানসভাৰ বাজেট অধিৱেশন। কোকৰাঝাৰত কালি অনুষ্ঠিত অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচীৰ বাতৰিক কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থান দিছে। দৈনিক জনমভূমিত এই বাতৰিক **কোকৰাঝাৰত বিধানসভাই ৰচিলে ইতিহাস**, নিয়মীয়া বাৰ্তাত **আজিৰ দিনটো অসমৰ ইতিহাসৰ সবাতোকৈ যুগান্তকাৰী দিন**, অসমীয়া খবৰত **ইতিহাস-কোকৰাঝাৰত বিধানসভাৰ অধিৱেশন**, দৈনিক অগ্ৰদূতত **বড়োভূমি শান্তি-সমন্বয়ৰ ভূমিত পৰিণত**, দা আছাম ট্ৰিবিউনত **GOVERNOR HIGHLIGHTS GOVT ACHIEVEMENTS** আৰু দা ছেণ্টিনেলত **I HAVE DREAM OF GOLDEN BODOLAND : CM** শিৰোনামেৰে

এই বাতৰি পৰিৱেশন কৰা হৈছে। বাতৰিটোক অসমীয়া প্ৰতিদিনটো প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰা হৈছে।

প্ৰয়াগৰাজত চলি থকা কুম্ভমেলাৰ বাতৰিক আমাৰ অসমত **দীৰ্ঘায়িত হ'ব কুম্ভমেলা** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিয়া হৈছে।

ভাৰত-ভূটান সীমান্তত নিৰ্মাণ হ'বলগীয়া পথৰ এটা বাতৰিক **২৬ দশমিক ৮-৭ কোটি ব্যয়ৰে নিৰ্মাণ হ'ব ভাৰত-ভূটান সৰলপাৰা পথ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে নিয়মীয়া বাৰ্তাই।

আজিৰ অন্যান্য বাতৰিৰ ভিতৰত আছে- শিৱসাগৰতো বিধানসভাৰ অধিৱেশনৰ আহ্বান বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ, জ্ঞানেশ কুমাৰক নতুন মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি, ভাৰততো খুন্দা মাৰিব পাৰে ৬০ হাজাৰ কিলোমিটাৰ বেগত আহি থকা গ্ৰহাণুৱে ইত্যাদি।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাঁও।

০০০০০০

গুৱাহাটীৰ সমীপৱৰ্তী সোণাপুৰৰ ডিগাৰুৰ ঐতিহাসিক বৰচিলা দেহাল থানত কালিৰে পৰা ৩৩ সংখ্যক কেন্দ্ৰীয় কাৰ্বি দেহাল কাৰ্চিদম উৎসৱৰ আয়োজন কৰা হৈছে। কাৰ্বি বাংথে আছেম কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু বৰচিলা আঞ্চলিক সমিতিৰ সহযোগত এই উৎসৱৰ আয়োজন কৰা হৈছে। কালি মূল পতাকা উত্তোলন কৰাৰ লগতে ৩২ খন পতাকা উত্তোলন কৰা হয়। ইয়াৰ পাছতে কাৰ্বি জনগোষ্ঠীৰ জীৱন-ধাৰণ প্ৰণালী সম্পৰ্কীয় এখন প্ৰদৰ্শনী মুকলি কৰা হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি হেমফু শীৰ্ষক স্মৃতিগ্ৰন্থখন উন্মোচন কৰা হয়। আজি দিনৰ ভাগত হ'বলগীয়া মুকলি সভাত ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী-বিধায়কৰ লগতে ভালেসংখ্যক বিশিষ্ট থাকিব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

০০০০০০

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট জায়েণ্টছে মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে খেলিব। বড়োদৰাৰ কোটাম্বি ষ্টেডিয়ামত হ'বলগীয়া খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

কালি অনুষ্ঠিত  এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ডেলহী কেপিটেলছক ৮ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি ডেলহী কেপিটেলছে নিৰ্ধাৰিত অভাৰত ১৪১ ৰান কৰে। দলটোৰ হৈ জেমিমা ৰ'দিগচে সৰ্বাধিক ৩৪ ৰান কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ১৭ অভাৰত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলটোৰ হৈ ৰেণুকা সিং ঠাকুৰ আৰু জৰ্জিয়া ৱেৰহামে তিনিটাকৈ উইকেট দখল কৰে। অধিনায়ক স্মৃতি মন্ধনা আৰু ডেনিয়েল ৱাইট হডজে আৰম্ভণিতে ১০৭ ৰানৰ বৰঙণি আগবঢ়ায়। ৰেণুকা সিং ঠাকুৰক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

০০০০০০

দৰং জিলাৰ সৰাবাৰী মৌজাৰ প্ৰাক্তন মৌজাদাৰ তথা সমাজকৰ্মী ইন্দ্ৰকান্ত বৰুৱাৰ কালি সন্ধিয়া তেওঁৰ দেওমৰনৈৰ খাৰখোৱা পাৰাৰ নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯২ বছৰ। প্ৰাক্তন মৌজাদাৰগৰীকৰ মৃত্যুত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে শোক প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী আৰু পাছলৈ বতৰ ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬

ডিগ্ৰী ছেলছিয়াছ্‌ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশ, অসম, নাগালেণ্ড আৰু ত্ৰিপুৰাত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

oooooo

সমাপ্ত